অসম চৰকাৰ

## উপায়ুক্তৰ কাৰ্য্যালয়:::::::::ডিব্রুগড় জিলা

### গাওঁ প্রধান শাখা

**বিজ্ঞাপন**

২১/০৭/২০২২

নং ডি.আৰ.জি. ২/গাওঁ প্রধান/২০২২-২৩/ ৭ - ১০ : অসম চৰকাৰৰ ২৬/০৮/২০২১ তাৰিখৰ **অধিসুচনা নং-আৰ.এল.আৰ.৭৩/২০২০/৩,** ১৯/০৭/২০১৯ তাৰিখৰ **অধিসুচনা নং-আৰ.এল.আৰ.১৮৭/২০০৭/অংশ/২৪** আৰু ১০/৪/২০১৮ তাৰিখৰ **অধিসুচনা নং-আৰ.এল.আৰ.১৮৭/২০০৭/৩৯** অনুসৰি ডিব্রুগড় জিলাৰ ৰাজহ চক্র সমূহৰ অন্তৰ্গত খালী থকা গাওঁ প্রধানৰ লাট সমূহ পূৰণৰ বাবে নিম্নলিখিত লাট গাওঁ সমূহৰ যোগ্য ব্যক্তিসকলৰ পৰা আবেদন পত্ৰ বিচৰা হৈছে। আবেদন পত্ৰ সমূহ উপায়ুক্তৰ কাৰ্য্যালয়ত জমা দিব লাগিব। আবেদন পত্ৰ সমূহ ইং: ০৫-০৮-২০২২ তাৰিখ (কাৰ্য্যালয় খোলা থকা দিনত আবেলি ৫.০০ বজালৈকে) পৰ্য্যন্ত জমা দিব পাৰিব। নিৰ্দিষ্ট তাৰিখৰ নিৰ্দিষ্ট সময়ৰ পিছত উপায়ুক্তৰ কাৰ্য্যালয়ত আবেদন সমূহ গ্ৰহণ কৰা নহব।

| ক্রমিক নং | লাট গাওঁ সমূহৰ নাম | মৌজা | ৰাজহ চক্রৰ নাম |
|---|---|---|---|
| ১ | বৰশইকীয়া গাওঁ, বঙ্গাল গাওঁ | ডিব্রুগড় টাউন | ডিব্রুগড় পূৱ |
| ২ | লাহোৱাল মিৰিপথাৰ গাওঁ | লাহোৱাল | ডিব্রুগড় পূৱ |
| ৩ | তিতা ডিমৰু, হাৰাবাৰী কোঁৱৰ গাওঁ | লাহোৱাল | ডিব্রুগড় পূৱ |
| ৪ | জাপিসজীয়া গাওঁ | লাহোৱাল | ডিব্রুগড় পূৱ |
| ৫ | ইকৰাতলি খৃষ্টান, মাইজান হিন্দু | লাহোৱাল | ডিব্রুগড় পূৱ |
| ৬ | লংচু গাওঁ | লাহোৱাল | ডিব্রুগড় পূৱ |
| ৭ | নিজ লাহোৱাল | লাহোৱাল | ডিব্রুগড় পূৱ |
| ৮ | বকুল টি. ই. ৬ নং এল. চি আৰ. গ্রান্ট, বকুলবাৰী | লাহোৱাল | ডিব্রুগড় পূৱ |
| ৯ | কান্দুলিবাৰী , গ্রান্ট নং ৪ এফ. এচ. | লাহোৱাল | ডিব্রুগড় পূৱ |
| ১০ | জিলিংগুৰি, লোণপুৰীয়া, ভীমপৰা | মদাৰখাট | ডিব্রুগড় পূৱ |
| ১১ | ফুটাহোলা ন-গাওঁ | মদাৰখাট | ডিব্রুগড় পূৱ |
| ১২ | ডিকম চেঁচা (চাউথ) | মদাৰখাট | ডিব্রুগড় পূৱ |
| ১৩ | আলিমূৰ খৰিকটীয়া | মদাৰখাট | ডিব্রুগড় পূৱ |
| ১৪ | মেলেঙ্গীয়াল | মদাৰখাট | ডিব্রুগড় পূৱ |
| ১৫ | গৰুখোন্দা, কুৰৰী পথাৰ, জোকতলি বাম, তেলপানী ব্লক গাওঁ | মদাৰখাট | ডিব্রুগড় পূৱ |
| ১৬ | নাহৰহাকো, তেপৰচালি | মদাৰখাট | ডিব্রুগড় পূৱ |
| ১৭ | বৰদৈবাম, চেচাকিনাৰ গাঁও (মাজগাঁও, মইনামিৰি গাওঁ) | লবুৰা | ডিব্রুগড় পশ্চিম |
| ১৮ | দেৱানবাৰী বাগিছা, মেতেকানী গাওঁ , ২৪/১৪৯ দেৱানবাৰী গ্রান্ট, দেৱানবাৰী গাঁও, দেৱানবাৰী বাগিচা, ১ নং আৰু ২ নং দেৱানবাৰী কৈৱৰ্ত্ত গাঁও, নং ১, ২, ৩, ৪ চেচাকোষ | লবুৰা | ডিব্রুগড় পশ্চিম |
| ১৯ | কুতুহা, নিবুক | লবুৰা | ডিব্রুগড় পশ্চিম |
| ২০ | বালি গাওঁ | লবুৰা | ডিব্রুগড় পশ্চিম |
| ২১ | ১ নং আৰু ২ নং পানী গাওঁ, বৰদৈবাম, সোনোৱাল, লেজাই মিৰি পথাৰ (দীঘলীয়া) | লবুৰা | ডিব্রুগড় পশ্চিম |
| ২২ | লেজাই গাওঁ , লেজাই গাওঁ পথাৰ, সোনোৱাল গাওঁ (বৰুৱা গাঁও) | লবুৰা | ডিব্রুগড় পশ্চিম |
| ২৩ | ১ নং আৰু ২ নং বাহবাৰী, বাহবাৰী ১৮২/১৭৯ এন. এল. আৰ. গ্রান্ট চৰাইবাহী গাওঁ, জাজীমুখ গাঁও | লবুৰা | ডিব্রুগড় পশ্চিম |

| | | | |
|---|---|---|---|
| ২৪ | চাংমাই গোঁহাই গাওঁ | জামিৰা | ডিব্রুগড় পশ্চিম |
| ২৫ | পাত্র গাওঁ | জামিৰা | ডিব্রুগড় পশ্চিম |
| ২৬ | ন-হাজাৰ কোঁৱৰ গাওঁ | জামিৰা | ডিব্রুগড় পশ্চিম |
| ২৭ | মহপোৱালীমৰা (টিংখং) | জামিৰা | ডিব্রুগড় পশ্চিম |
| ২৮ | ডিব্রুৱাল দিহিঙ্গীয়া গাওঁ | জামিৰা | ডিব্রুগড় পশ্চিম |
| ২৯ | কোঁৱৰ সন্দিকৈ গাওঁ , দিঘলা গাওঁ | জামিৰা | ডিব্রুগড় পশ্চিম |
| ৩০ | ডিব্রুৱাল দিহিঙ্গীয়া পাৰ্ট | জামিৰা | ডিব্রুগড় পশ্চিম |
| ৩১ | বকপৰা গাওঁ, কুচিয়াখানা গাওঁ | মানকটা খনিকৰ | ডিব্রুগড় পশ্চিম |
| ৩২ | লেপেটকটা কছাৰী, লেপেটকটা বঙ্গালী গাওঁ | মানকটা খনিকৰ | ডিব্রুগড় পশ্চিম |
| ৩৩ | কাকজান হাবি, কোঁৱৰ বাম | জয়পূৰ | নাহৰকটীয়া |
| ৩৪ | বৰখেৰেমীয়া, ঘিলাগুৰি, ঘিলাগুৰি গাওঁ , নং ৩ বালিজান | জয়পূৰ | নাহৰকটীয়া |
| ৩৫ | লেবাংকোলা, তাতিপথাৰ | জয়পূৰ | নাহৰকটীয়া |
| ৩৬ | নিগম, কাৰৈমাৰী, ঘিনাই | জয়পূৰ | নাহৰকটীয়া |
| ৩৭ | বৰখেৰেমীয়া নং ১, নং ২ বৰখেৰেমীয়া | জয়পূৰ | নাহৰকটীয়া |
| ৩৮ | তৰাতলি গাওঁ, অভয়পুৰ গাওঁ, কচাৰিপথাৰ গাওঁ | জয়পূৰ | নাহৰকটীয়া |
| ৩৯ | পানীদৰিয়া নগাগাওঁ, চাক্য গাঁও | জয়পূৰ | নাহৰকটীয়া |
| ৪০ | হালোৱা, মূৰহানী, দিঘলীয়া গাওঁ | চাচনী | নাহৰকটীয়া |
| ৪১ | বামুনীবিল, টকৌবিল, নং -১ বামুনীবিল, নং- ২ বামুনীবিল, নং-২ দিচাং কিনাৰ, দিহিং কিনাৰ | চাচনী | নাহৰকটীয়া |
| ৪২ | শিল-কচুবাম, উৰিয়াম গুৰি, নং ১ দেওধাই, নং ২ দেওধাই, ৫ নং মেৰবিল গ্ৰান্ট, মেৰবিল গ্ৰেজিং | চাচনী | নাহৰকটীয়া |
| ৪৩ | বৰবাম, উষা এন. চি., উষাপুৰ | ফাকিয়াল | নাহৰকটীয়া |
| ৪৪ | কোঁৱৰ গাওঁ, দিহিং কিনাৰ বঙালী ব্লক, তিয়কী গাওঁ | ফাকিয়াল | নাহৰকটীয়া |
| ৪৫ | টিপাম ফাকিয়াল, চেঙ্গেলীজান | ফাকিয়াল | নাহৰকটীয়া |
| ৪৬ | টিয়হজলিয়া, চাংমাই বৰুৱাপথাৰ | বগডুং | চাবুৱা |
| ৪৭ | ৰংমলা, ৰাইদাং, পুখুৰীজান | বগডুং | চাবুৱা |
| ৪৮ | গেৰেকী, গেৰেকী নেপালী | বগডুং | চাবুৱা |
| ৪৯ | চামনি, লুখুৰাখনীয়া, নাকৈধৰা | ৰহমৰীয়া | চাবুৱা |
| ৫০ | লোহালী, পাখৰীজানীয়া | ঘৰবন্দী | চাবুৱা |
| ৫১ | মূৰানি আমগুৰি, মূৰানিপথাৰ, সৰুপথাৰ | ঘৰবন্দী | চাবুৱা |
| ৫২ | ৰংচঙ্গী, উদালগুৰি | ঘৰবন্দী | চাবুৱা |
| ৫৩ | দীঘলীয়া হোলা | টেঙাখাত | টেঙাখাত |
| ৫৪ | ভাজনি আৰু ৰামকানাই | টেঙাখাত | টেঙাখাত |
| ৫৫ | অভয়পুৰীয়া, চুঙ্গী- ঘাহী গাওঁ | টেঙাখাত | টেঙাখাত |
| ৫৬ | কাচ', গন্ধীয়া গাওঁ | টেঙাখাত | টেঙাখাত |
| ৫৭ | নিজ ভেকুলাজান, বৰহোলা, টিংৰাই বৰহোলা আৰু আমগুৰি | খেৰেমীয়া | টেঙাখাত |
| ৫৮ | টিংৰাই চাৰিআলি, চেৰ চেৰীয়াজান | খেৰেমীয়া | টেঙাখাত |
| ৫৯ | নং ১ আৰু নং ২ কছাৰীপথাৰ, দিৰিয়াল, পোৱালি পথাৰ | খেৰেমীয়া | টেঙাখাত |
| ৬০ | নং ২ আৰু নং ৩ চেপাতলি, চেপাতলি এন. চি. আৰু পদুমনি গাওঁ | টিপলিং | টেঙাখাত |
| ৬১ | জালিয়াবস্তি, জালিয়া এন. চি. | টিপলিং | টেঙাখাত |
| ৬২ | নং ১ আৰু নং ৩ নাওঁহলীয়া, দ-হুকুতা আৰু বাম হুকুতা গাওঁ | টিপলিং | টেঙাখাত |
| ৬৩ | ২ নং ধাদুমীয়া বঙ্গালী, ১নং ধাদুমীয়া | টিংখং | টিংখং |
| ৬৪ | পদুমনি, ন-চাউদাং | টিংখং | টিংখং |
| ৬৫ | বচা, লংবৈ ন-হোলা | টিংখং | টিংখং |
| ৬৬ | থেকেৰাগুৰি | টিংখং | টিংখং |
| ৬৭ | দিচাং | টিংখং | টিংখং |

| | | | |
|---|---|---|---|
| ৬৮ | নলনি কপৌহুৱা, মাজপথাৰ, তিনঠেঙ্গীয়া | টিংখং | টিংখং |
| ৬৯ | ঘাঁহি গাঁও | টিংখং | টিংখং |
| ৭০ | চাৰেং পথাৰ | টিংখং | টিংখং |
| ৭১ | শিশুমৰা বৰপথাৰ | টিংখং | টিংখং |
| ৭২ | ৩১ নং দিবৈ গ্ৰান্ট এ আৰু বি ব্লক | টিংখং | টিংখং |
| ৭৩ | নাহৰপৰা বৰবিল , ১ নং বৰবিল, বৰবিল বকলিয়াল | টিংখং | টিংখং |
| ৭৪ | থুলাই, কেৰেং, ২৮ নং কাবোলা | টিংখং | টিংখং |
| ৭৫ | নং ১ দিঘলীয়া, ২ নং দিঘলীয়া, বাইলুংভেটি | টিংখং | টিংখং |
| ৭৬ | ১০৮ নং খোৱাং এফ.এচ. গ্ৰান্ট | মৰাণ | মৰাণ |
| ৭৭ | ডিমৌ কিনাৰ বঙ্গালী, ডিমৌ কিনাৰ চাংমাই, বৰবিল গাওঁ, লুকুমাই বিল গাঁও, টেপৰচালি চেতিয়া ব্লক, পানীতোলা পুখুৰী গাঁও, ৫ নং পতিত ভূমি | মৰাণ | মৰাণ |
| ৭৮ | জোন গাওঁ, ১ নং পদুমনি আৰু ২ নং পদুমনি গাওঁ | চেপন | মৰাণ |
| ৭৯ | চিলচিলি কলালোৰ কোছ গাওঁ, চিলচিলি ডিমৌ কিনাৰ গাঁও, পদুমনি চেতিয়া গাঁও, পদুমনি মিৰি গাঁও | চেপন | মৰাণ |
| ৮০ | নং ১ শলগুৰি গাওঁ | চেপন | মৰাণ |
| ৮১ | খোৱাং আঠাবাৰী গাওঁ (আজাৰগুৰি গাওঁ), ১১/১৬৪ অ.আৰ. আৰ. গ্ৰান্ট পাৰ্ট | খোৱাং | মৰাণ |
| ৮২ | নং ১ মাউতনি গাওঁ, নাহৰনী সোনোৱাল, নং ৩ হুংহুংগীয়া, ন-হাজাৰ সোনোৱাল, হালধী- বাৰী ন- গাওঁ | খোৱাং | মৰাণ |
| ৮৩ | নিজ খোৱাং গাঁও, নিজ খোৱাং দুমৰহোলা, নিজ খোৱাং বেতনী, নং ১ নাহৰনী গাঁও, চেৰেপাখাইটি চেনীমাৰী গাঁও, দুলীয়াবাম ব্লক | লেঙেৰী | মৰাণ |
| ৮৪ | বৰঘুগুলনী, ঘুগুলনী বঙ্গালী, ঘুগুলনী আহোম বঙ্গালী, ঘুগুলনী নেপালী লাট, ঘুগুলনী বৰবাম গাঁও, শালমাৰী ২০ নং দৰ্খাস্ত | লেঙেৰী | মৰাণ |

**(১) নিম্নতম অৰ্হতা :-**

ক) আবেদনকাৰী ভাৰতীয় নাগৰিক হোৱাৰ উপৰিও আবেদন কৰা গাঁও প্ৰধান লাটৰ স্হায়ী বাসিন্দা হ'ব লাগিব।

খ) আবেদনকাৰীৰ নিম্নতম বয়স ৩০ বছৰ হ'ব লাগিব ১.০৭.২০২২ তাৰিখত। লগতে চৰকাৰী স্বীকৃতিপ্ৰাপ্ত অনুষ্ঠানৰ (অসম মাধ্যমিক শিক্ষা পৰিষদ/ শিক্ষা অনুষ্ঠান) পৰা শিক্ষাগত অৰ্হতা (নুন্যতম দশম শ্ৰেণী) উত্তীৰ্ণৰ প্ৰমাণ পত্ৰ জমা দিব লাগিব।

গ) আবেদনকাৰী শাৰীৰিক তথা মানসিকভাৱে সুস্হ হ'ব লাগিব।

ঘ) আবেদনকাৰী যিকোনো চৰকাৰী লেনা-দেনাৰ ক্ষেত্ৰত অযোগ্য ঘোষণা কৰা হ'ব নালাগিব।

ঙ) আবেদনকাৰী কোনো চৰকাৰী চাকৰিয়াল হ'ব নোৱাৰিব।

চ) আবেদনকাৰীৰ আবেদন কৰা লাটত নিজৰ নামত মাটি /স্থাৱৰ সম্পত্তি থাকিব লাগিব।

ছ) আবেদনকাৰী কোনো ৰাজনৈতিক দলৰ সদস্য হ'ব নোৱাৰিব।

জ) আবেদনকাৰী উল্লেখিত এলেকাৰ এজন সন্মানীয়, নেতৃস্হানীয় তথা ব্যক্তিত্বসম্পন্ন লোক হ'ব লাগিব।

ঝ) আবেদনকাৰী এজন সমাজ গঠনত অৰিহণা যোগোৱা ব্যক্তি হোৱাৰ উপৰিও যিকোনো চৰকাৰী আঁচনি ৰূপায়ণ তথা প্ৰাকৃতিক দুৰ্যোগৰ সময়ত অৰিহণা আগবঢ়োৱা ব্যক্তি হ'ব লাগিব।

ঞ) চৰকাৰী অধিসূচনা নং আৰ.এল.আৰ.১৮৭/২০০৭/অংশ/২৪ তাং ১৯/০৭/২০১৯ অনুসৰি আবেদনকাৰীৰ এক বা তাতোধিক সঙ্গীৰ পৰা দুজনতকৈ অধিক সন্তান থাকিব নালাগিব।

অন্যহাতে, উক্ত অধিসূচনা প্ৰকাশৰ তাৰিখৰ আগলৈকে দুজনতকৈ অধিক সন্তানৰ অধিকাৰী হলেও আবেদন কৰিব পাৰিব। (কাৰ্য্যকৰী নিৰ্দেশনা নং-162, Clause (1), Sub Clause xi)

(২) **আবেদনকাৰীয়ে তলত উল্লেখ কৰা নথি সমূহ জমা দিব লাগিব –**

ক) আবেদনকাৰীয়ে "ষ্টেণ্ডাৰ্ড ফৰ্ম" ত আবেদন কৰিব লাগিব। আবেদন পত্ৰৰ লগত বিজ্ঞাপনত উল্লেখ থকা অনুসৰি যাৱতীয় নথিসমূহৰ সৈতে বন্ধ খামত ভৰাই উপায়ুক্ত কাৰ্য্যালয়ত নিৰ্দিষ্ট কৰি ৰখা বাকচত ইং :..০৫/০৮/২০২২.. তাৰিখলৈকে(পুৱা ৯.৩০ বজাৰ পৰা ৫.০০ বজাৰ ভিতৰত) জমা দিব পাৰিব।

খ) আবেদনকাৰীয়ে নিজা স্বাক্ষৰ কৰা শিক্ষাগত অৰ্হতাৰ প্ৰমাণ পত্ৰ (নুন্যতম হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ মাৰ্কচিট ও পাচ্ চাৰ্টিফিকেট, হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰৱেশ-পত্ৰ (Admit Card)/ জন্মৰ প্ৰমাণ পত্ৰৰ )প্ৰতিলিপি জমা দিব লাগিব।

গ) আবেদনকাৰীয়ে ৩ (তিনি) কপি পাচপ'ৰ্ট আকাৰৰ ফটো জমা দিব লাগিব (নিজে স্বাক্ষৰ কৰা)।

ঘ) পোষ্ট ষ্টাম্প সন্নিৱিষ্ট খামত নিজা যোগাযোগৰ ঠিকনাৰ লগতে মোবাইল নম্বৰ লিখি দিব লাগিব।

ঙ) চৰকাৰী দেনা আৰু বাকিজাই আদায়ৰ প্ৰমাণ পত্ৰ জমা দিব লাগিব।

চ) আবেদনকাৰীয়ে যি লাটৰ গাঁওবুঢ়াৰ বাবে আবেদন কৰিছে, সেই লাটৰ স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ আবেদনৰ লগত জমা দিব লাগিব।

ছ) আবেদনকাৰীয়ে যি লাটৰ গাঁওবুঢ়াৰ বাবে আবেদন কৰিছে, সেই লাটৰ অন্তৰ্গত এলেকাত নিজৰ নামত থকা মাটি/ স্থাৱৰ সম্পত্তিৰ প্ৰমাণ পত্ৰ জমা দিব লাগিব।

জ) পৰিয়ালৰ সদস্য সকলৰ সবিশেষ বিৱৰণ (নাম, বয়স, জন্মৰ তাৰিখ, পৰিয়ালৰ লগত সম্পৰ্ক ইত্যাদি) থকা শপতনামা জমা দিব লাগিব। সন্তানৰ জন্মৰ প্ৰমাণ পত্ৰ লগত গাঠি দিব লাগিব।

ঝ) আবেদনকাৰীয়ে কোনটো লাটৰ বাবে আবেদন কৰিছে, তাৰ বিষয়ে স্পষ্টকৈ আবেদন পত্ৰত উল্লেখ কৰিব লাগিব।

ঞ) সামাজিক সবলীকৰণ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ যদি কোনো প্ৰমাণ আছে, তেন্তে আবেদনকাৰীয়ে আবেদন পত্ৰৰ লগত সংলগ্ন কৰি দিব লাগিব।

বি.দ্ৰ. :-

**(১) অসম্পূৰ্ণ নথিযুক্ত আবেদন-পত্ৰসমূহ বাচনি নকৰাকৈয়ে নাকচ কৰা হ'ব।**

**(২) আবেদন পত্ৰ সমূহ বাছনি সমিতিয়ে নিৰ্ধাৰিত নিয়মাৱলীৰ মতে পৰ্য্যবেক্ষণ কৰি গ্ৰাহ্য বা অগ্ৰাহ্য কৰিব। ডিব্ৰুগড় জিলাৰ উপায়ুক্তৰ দ্বাৰা গঠিত বাছনি সমিতিৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ'ব।**

**(৩) আবেদন প্ৰ-পত্ৰ (ষ্টেণ্ডাৰ্ড ফৰ্ম) সমূহ উপায়ুক্ত কাৰ্য্যালয়, ডিব্ৰুগড় জিলাৰ ৱেবচাইট www.dibrugarh.gov.in ত উপলব্ধ হ'ব।**

**(৪) সাক্ষাৎকাৰত উপস্থিত থকাৰ বিনিময়ত কোনো পৰিবহন/ দৈনিক ভাত্তা প্ৰদান কৰা নহ'ব ।**

উপায়ুক্ত,
ডিব্ৰুগড় জিলা

স্মাৰক নং: ২/গাওঁ প্ৰধান/২০২২-২৩/৭-১০ -এ-
দিনাংক : ২৯/০৭/২০২২

প্ৰতিলিপি:

১) চক্ৰ বিষয়া, ................ ৰাজহ চক্ৰই সংশ্লিষ্ট গাওঁসমূহত এই বিজ্ঞাপন বহুল প্ৰচাৰৰ বাবে ব্যৱস্হা ল'ব।

২) জিলা তথ্য ও জনসংযোগ বিষয়া, ডিব্ৰুগড়। তেখেতে এই জাননী দৈনিক খবৰ কাকত, দূৰদৰ্শন আৰু অনাঁতাৰ মাধ্যম যোগে বহুল প্ৰচাৰৰ ব্যৱস্হা ল'ব।

৩) জিলা তথ্য-প্ৰযুক্তি বিষয়া, ৰাষ্ট্ৰীয় তথ্য-প্ৰযুক্তি কেন্দ্ৰ, ডিব্ৰুগড়ৰ জ্ঞাতাৰ্থে আৰু বিহিত ব্যৱস্থাৰ্থে প্ৰেৰণ কৰা হল।

৪) খণ্ড উন্নয়ন বিষয়া, ........................... কাৰ্য্যালয়ৰ জাননী ফলকত ৰাখিবৰ বাবে জনোৱা হ'ল।

৫) ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া, ............................. জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।

৬) মৌজাদাৰ, ................................ উক্ত বিজ্ঞাপন বিস্তাৰিতভাৱে প্ৰচাৰৰ বাবে জনোৱা হ'ল।

৭) কাৰ্য্যালয়ৰ জাননী ফলক ।

উপায়ুক্ত,
ডিব্ৰুগড় জিলা